**2 0 2 1**

( Held in 2022 )

ASSAMESE

( Major )

Paper : 5.2

**( Purani Asomiya Katha Sahitya )**

( Non-CBCS )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) অসমীয়া গদ্য-সাহিত্যৰ জনক কোন?

(খ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' প্ৰবন্ধটি কোনখন গ্ৰন্থৰ পৰা উদ্ধৃত কৰা হৈছে?

(গ) 'গুৰু সেৱা মাহাত্ম্য' পাঠটিত ভক্তি-জ্ঞানদাতা গুৰুৰ মাহাত্ম্য কেইটা শ্লোকত আছে?

(ঘ) শ্ৰীৰামৰ অভিষেকৰ বতৰা কৈকেয়ীক কোনে দিছিল?

(ঙ) মদন পূজাৰ বেদীত কাৰ মূৰ্ত্তি স্থাপন কৰা হয়?

( Turn Over )

(চ) ৰুদ্ৰসিংহৰ পিতৃৰ নাম কি ?

(ছ) 'অৰুণোদই' কাকতৰ প্ৰথম সম্পাদক কোন ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ভট্টদেৱ প্ৰণীত দুখন গ্ৰন্থৰ নাম লিখা।

(খ) "হে স্বামী কৃষ্ণ, তুহু জগতৰ পৰম ঈশ্বৰ" কথাষাৰ কোনে, কাক কৈছিল ?

(গ) গুৰু কেইপ্ৰকাৰৰ আৰু কি কি ?

(ঘ) শ্ৰীৰামচন্দ্ৰৰ লগত কোন কোন বনলৈ গৈছিল ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) 'কথাগীতা'ৰ আধাৰত স্থিতপ্ৰজ্ঞৰ লক্ষণ সম্পৰ্কে চমুকৈ লিখা।

(খ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটিৰ মূল কথাখিনি তোমাৰ ভাষাত লিখা।

(গ) গোপালচৰণ দ্বিজৰ চমু পৰিচয় দিয়া।

(ঘ) 'ৰামৰ বন গমন' পাঠটিৰ আধাৰত কৈকেয়ী চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঙ) ব্ৰাউন চাহাবৰ পত্ৰখনৰ সাৰ কথাখিনি বৰ্ণনা কৰা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৩=৩০

(ক) অৰ্জুনৰ মোহ দূৰ কৰিবলৈ ভগবান শ্ৰীকৃষ্ণই আত্মাৰ অবিনশ্বৰতাৰ কথা কেনেদৰে কৈছে, লিখা।

(খ) 'গুৰু সেৱা মাহাত্ম্য' পাঠটিৰ মূল কথাখিনি তোমাৰ নিজৰ ভাষাৰে লিখা।

(গ) 'ৰামৰ বন গমন' পাঠটিৰ মাজেৰে ৰঘুনাথ মহন্তই ৰামৰ চৰিত্ৰ কেনেৰূপত অংকন কৰিছে, আলোচনা কৰা।

(ঘ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ' পাঠটিৰ আলমত ৰজাই পিন্ধা সাজপাৰৰ এটি বৰ্ণনা দাঙি ধৰা।

(ঙ) স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজনৈতিক বিচক্ষণতা আৰু সাংস্কৃতিক অৱদানৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(চ) নাথান ব্ৰাউনৰ পৰিচয় দাঙি ধৰি 'শ্ৰীযুত ব্ৰাউন চাহাবৰ পত্ৰ' শীৰ্ষক প্ৰবন্ধৰ আধাৰত মিচনেৰীৰ গদ্য সম্পৰ্কে এক বিশ্লেষণাত্মক আলোচনা যুগুত কৰা।

★★★

**2 0 2 1**

( Held in 2022 )

ASSAMESE

( Major )

Paper : 5.4

( Non-CBCS )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ কেতিয়া হৈছিল?

(খ) পালি ভাষা লিখিত ৰূপে কোন সময়ত আত্মপ্ৰকাশ কৰে?

(গ) অবহট্‌ঠত ৰচনা কৰা গ্ৰন্থ এখনৰ নাম লিখা।

(ঘ) সংস্কৃত নাটকৰ গীতত কোনটো প্ৰাকৃতক স্থান দিয়া হৈছিল?

(ঙ) পালি ভাষাৰ স্বৰধ্বনি কেইটা?

(চ) বুদ্ধচৰিতৰ ৰচকজন কোন?

(ছ) হেমচন্দ্ৰ বিৰচিত প্ৰাকৃত ব্যাকৰণখনৰ নাম কি?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'কৰ্পূৰমঞ্জৰী'ৰ উপৰিও ৰাজশেখৰে ৰচনা কৰা দুখন নাটকৰ নাম লিখা।

(খ) 'অপ্পমাদ' শব্দৰ অৰ্থ কি?

(গ) মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচনা কৰা দুখন কাব্যৰ নাম লিখা।

(ঘ) সাৰিপুত্ৰ প্ৰকৰণ কোনে, কি ভাষাত ৰচনা কৰিছিল?

৩। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'সন্দেশৰাসক' কাব্যখনৰ নামৰ সাৰ্থকতা বিচাৰ কৰা।

(খ) প্ৰাকৃত ভাষাত উদ্ভৱৰ সামাজিক আৰু ঐতিহাসিক পটভূমি সম্পৰ্কে লিখা।

(গ) 'ধৰ্ম্মপদ'ক নৈতিক জ্ঞানৰ গ্ৰন্থৰূপে বিচাৰ কৰা।

(ঘ) 'শকুন্তলা' নাটকৰ আধাৰত তৎকালীন সমাজ ব্যৱস্থাৰ বিষয়ে লিখা।

(ঙ) 'পালি' শব্দৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) সট্টকৰূপে 'কৰ্পূৰমঞ্জৰী' বিচাৰ কৰাৰ লগতে নাটকখনৰ ভাষা সম্পৰ্কেও আলোচনা কৰা।

(খ) পালি আৰু প্ৰাকৃত ভাষাৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা।

(গ) সাহিত্যিক প্ৰাকৃতৰ পৰিচয় দাঙি ধৰি যি কোনো এটা প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ঘ) মধ্যভাৰতীয় আৰ্যভাষাৰ স্তৰ বিভাজন কৰি প্ৰতিটো স্তৰৰ ভাষিক বৈশিষ্ট্যবোৰ লিখা।

(ঙ) 'ধৰ্ম্মপদ'ৰ অপ্পমাদ বৰ্গৰ আধাৰত পালিভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(চ) 'শকুন্তলা' নাটকৰ ষষ্ঠ অংকৰ ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথনৰ ভাষাৰ বিশেষত্ব বিতংকৈ বৰ্ণনা কৰা।

★★★

# 2021

( Held in 2022 )

ASSAMESE

( Major )

Paper : 5.5

( Non-CBCS )

( সাহিত্য সমালোচনা )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) ভৰতৰ মতে ৰস কেইপ্ৰকাৰৰ ?

(খ) অলংকাৰ শাস্ত্ৰত 'ৰস' শব্দৰ অৰ্থ কি ?

(গ) 'আধুনিকতাবাদ' শব্দটো ইংৰাজী কোনটো শব্দৰ পৰা আহিছে ?

(ঘ) ৱৰ্ডচৱৰ্থৰ কবিতা বিষয়ক সংজ্ঞাটো লিখা।

(ঙ) প্ৰহসনমূলক অসমীয়া নাটক এখনৰ নাম লিখা।

(চ) চুটিগল্পৰ এটা প্ৰধান বৈশিষ্ট্য লিখা।

(ছ) অসমীয়া ভাষাত লিখা আত্মজীৱনীমূলক উপন্যাস এখনৰ নাম লিখা।

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ধ্রুৱবাদৰ দুটা বৈশিষ্ট্য লিখা।

(খ) ছনেট বা চতুৰ্দশপদী কবিতাৰ দুটা বিশেষত্ব লিখা।

(গ) 'ৰমণ্যাসবাদ'ৰ দুটা বিশেষত্ব লিখা।

(ঘ) অসমীয়া ভাষাত ৰচিত দুটা পৰিৱেশপ্ৰধান চুটিগল্পৰ নাম লিখা।

৩। (ক) মহাকাব্যৰ লক্ষণবোৰ লিখা। ৫

*অথবা*

(খ) ৰসৰ স্বৰূপ সম্পৰ্কে এটি টোকা লিখা।

৪। (ক) সাধুকথা আৰু চুটিগল্পৰ পাৰ্থক্য লিখা। ৫

*অথবা*

(খ) এডগাৰ এলেন পো-এ দিয়া চুটিগল্পৰ সংজ্ঞাটো আলোচনা কৰা।

৫। (ক) আঞ্চলিক উপন্যাসৰ বিষয়ে এটি চমু টোকা লিখা। ৫

*অথবা*

(খ) উপন্যাসত কাহিনীৰ গুৰুত্ব সম্পৰ্কে চমুকৈ বুজাই লিখা।

৬। (ক) স্থায়ীভাৱ কি? ই কেইপ্ৰকাৰৰ? স্থায়ীভাৱ ৰসত পৰিণত হোৱাৰ প্ৰক্ৰিয়াটো উদাহৰণসহ বুজাই লিখা। ২+৮=১০

*অথবা*

(খ) ভৰতৰ ৰসসূত্ৰৰ প্ৰথম ব্যাখ্যাকাৰ কোন? ভৰতৰ ৰসসূত্ৰটোৰ ব্যাখ্যা আগবঢ়োৱা। ১+৯=১০

৭। (ক) আধুনিকতাবাদ বুলিলে কি বুজা? আধুনিকতাবাদী সাহিত্যৰ মূল লক্ষণসমূহৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ১০

৮। (ক) উপন্যাস কাক বোলে? উপন্যাসৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) 'কবিতা ছন্দোবদ্ধ ৰচনা'—আলোচনা কৰা। ১০

★★★